# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**বুধবাৰ, ৩ ফেব্ৰুৱাৰী, ২০১৬**

**গড়কাপ্তানী (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), পৰিকল্পনা আৰু উন্নয়ন, ন্যায়িক, বিধায়িনী, আইন, জলসিঞ্চন, ভূমি সংৰক্ষণ, পৰিবহন, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ, খনিজ আৰু খনিজাত সম্পদ, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **ৰাজ্যিক ঘাইপথ ।**

শ্ৰীমজিবুৰ ৰহমান ঃ

*২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ হয়বৰগাৱঁৰ পৰা শিঙিমাৰীলৈকে অসম ৰাজ্যিক ঘাই পথটো বিভাগে কেতিয়া সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লৈছে, জনাবনে ?

(খ) উক্ত পথটো কেতিয়া আবন্টন দিয়া হ'ল জনাবনে ?

(গ) উক্ত পথটো কেতিয়া বিভাগীয় মন্ত্ৰীয়ে উদ্বোধন কৰিছিল জনাবনে ?

*বিষয় ঃ* **পথ নিৰ্মাণ কাম ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা মেডিকেল কলেজৰ পৰা মানাহ দলংলৈকে ৰাজ্যিক ঘাইপথ ছোৱাৰ নিবিদা আহ্বান কৰা হৈছেনে ? যদি হোৱা নাই, কেতিয়া হ'ব ? অহা মাৰ্চ মাহৰ আগতে উক্ত পথছোৱাৰ কাম আৰম্ভ হ'বনে ?

(খ) ফকৰুদ্দিন আলী আহমেদ পকীপথ আৰু RIDF ৰ অধীনত প্ৰস্তাৱিত পথ সমূহৰ কাম কেতিয়া কৰিব ?

(গ) জনীয়া সমষ্টিৰ প্ৰায় ২৯ টা পথ যোৱা পাচঁ বছৰে সম্পূৰ্ণ নোহোৱা তথা জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে ?

(ঘ) ঠিকাদাৰক বাৰে বাৰে ন'টিচ দিয়াৰ পিছটো কি কাৰণে মেৰামতিৰ কাম কৰা হোৱা নাই ?

(ঙ) কিমান দিনৰ ভিতৰত মেৰামতিৰ কাম কৰা হ'ব জনাবনে ?

*বিষয় ঃ* **ৰাস্তা আৰু দলং পকী ও মেৰামতি।**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

*২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমান কিলোমিটাৰ পকী পথ (RR, SR, NH, NEC, PMGSY etc.) আৰু কিমান সংখ্যক পকী দলং নিৰ্মাণ কৰা হৈছে ? (জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) বৰপেটা জিলাৰ বৰপেটা সমষ্টিত বিগত

৫ বছৰত কিমান সংখ্যক দলং পকী হ'ল আৰু কিমান সংখ্যক SPT Bridge পকী কৰিবলৈ এতিয়াও বাকী আছে ?

(গ) বিগত ৫ বছৰত উক্ত সমষ্টিত কিমান সংখ্যক SPT Bridge ৰ নতুনকৈ কৰা হ'ল আৰু কিমান সংখ্যক মেৰামতি কৰা হ'ল ? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) বিগত ৫ বছৰত উক্ত সমষ্টিটোত কিমান কিলোমিটাৰ পথ পকীকৰণ কৰা হ'ল ? (ৰাস্তাৰ নাম উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঙ) বিগত ৫ বছৰত উক্ত সমষ্টিটোত PMGSY ৰ অধীনত পকী হোৱা ৰাস্তা সমূহৰ কিমান সংখ্যক Maintenance কৰা হ'ল আৰু কিমান সংখ্যক নহ'ল ? (পৃথকে পৃথকে তালিকা সদনৰ মেজত দাখিল কৰিব)

(চ) বৰ্তমানলৈ উক্ত ৰাস্তা সমূহৰ Maintenance নকৰাৰ কাৰণ কি ? ইয়াৰ ওপৰত কোনো Enquiry বা বিহিত ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(ছ) যদি কৰা নাই, নকৰাৰ কাৰণ কি ?

*বিষয় :* **পৰিকল্পনাৰ ধন, এন ই চি ডনাৰ ।**

শ্ৰীফনী ভূষণ চৌধুৰী :

*২৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০১৪-১৫ আৰু ২০১৫-১৬ বিত্তীয় বৰ্ষত পৰিকল্পনা শিতানত কিমান ধন ধাৰ্য্য কৰা হৈছিল ? এই ধনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ ধন আৰু ৰাজ্য চৰকাৰৰ ধনৰ অংশ কিমান আছিল ? (চেক্টৰ ভিত্তিত পৰিকল্পনা শিতানৰ ধন আবণ্টনৰ চৰকাৰী অধিসূচনা দুখনৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(খ) এই দুয়োটা বিত্তীয় বৰ্ষত পৰিকল্পনা শিতানত কেন্দ্ৰীয় চৰকাৰে নিজৰ অংশৰ কিমান ধন মোকলাই দিলে আৰু কিমান ধন এতিয়াও মোকলাই দিবলৈ বাকী আছে ? মোকলাই দিয়া ধনৰ ভিতৰত কিমান ধন এতিয়াও ব্যৱহাৰ হ'বলৈ বাকী আছে ?

(গ) এন ই চি আৰু ডনাৰ মন্ত্ৰালয়ে অনুমোদন দিয়া কি কি আচঁনিৰ কাম বৰ্তমান অসমত চলি আছে ? (আচঁনিৰ নাম, আচঁনিৰ ধন, কাম কৰা এজেন্সিৰ নাম, ৱাৰ্ক অৰ্ডাৰ মতে কাম শেষ হ'বলগীয়া তাৰিখ, কামৰ বৰ্তমান অগ্ৰগতি, প্ৰতিটো কামৰ বিপৰীতে কেন্দ্ৰ ৰাজ্যৰ ধনৰ পৰিমাণ, প্ৰতিটো কামৰ বিপৰীতে বৰ্তমানলৈ কেন্দ্ৰ, ৰাজ্যই মুকলি কৰি দিয়া ধনৰ পৰিমাণৰ তথ্য বিস্তৃত ভাৱে তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) আচঁনি সমূহৰ কামৰ অগ্ৰগতি পলম হোৱাৰ কাৰণ কি ?

*Sub :* **Rajiv Gandhi Sports Complex at Baghbar LAC.**

Shri SHERMAN ALI AHMED :

*24. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) In view of D.O. letter No. 45/ D-22(i)/2015-16/Dir dtd 12--5-2015 by the local MLA addressed to the Director, Sports & Youth Welfare, Assam apprehending the malafide intention of the then DSO, Barpeta to shift the Rajiv Gandhi Sports Complex from Baghbar LAC to Jania LAC and suggesting three alternative playgrounds under Baghbar LAC, how the then DSO in collision with the then DC, Barpeta could take a decision to shift the Rajiv Gandhi Sports Complex from Baghbar LAC to Jania LAC and that too without the approval of Govt. and could further proceed to construct the Rajiv Gandhi Sports Complex in the playground of Jania High School under Jania LAC ?

(b) Is it not true that MLA of the concerned LAC is a member of the construction committee for Rajiv Gandhi Sports Complex ? If yes, then why the concerned MLA was not invited to the meeting held on 26-05-2015 ?

(c) Would the Govt. be pleased to institute a high level enquiry into the above state of affairs and punish the guilty ?

(d) Would the Govt. be pleased to immediately restore the Rajiv Gandhi Sports Complex in Baghbar LAC, if necessary in the alternative playgrounds suggested in the aforesaid D.O. letter ?

*বিষয় ঃ* **ৰাষ্ট্ৰীয় ঘাই পথ ও উৰনীয়া সেতু ।**

NH

শ্ৰীমনোৰঞ্জন দাস ঃ

*২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথ (31 No. National Highway) ৰ নিৰ্মাণ কাৰ্য্য বৰপেটা জিলাৰ হাউলীৰ পৰা বাক্সা জিলাৰ-বৰমালৈকে বৰ লেহেমীয়া গতিত চলি থকাৰ ফলত যাতায়ত ব্যৱস্থা বিঘ্নিত হোৱাৰ উপৰিও বিভিন্ন সময়ত দুৰ্ঘটনা আদি হৈ থকাৰ কথা চৰকাৰে জানে নেকি ?

(খ) যদি জানে, নিৰ্মাণ কাৰ্য্য ত্বৰান্বিত কৰাৰ ব্যৱস্থা, NHAI ৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা হ'ব নেকি ?

(গ) ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথ আৰু ১৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ সংযোগ স্থলত (পাঠশালাত) অনুমোদিত উৰনীয়া সেতু নিৰ্মাণৰ কামটো কেতিয়ালৈকে আৰম্ভ হ'ব জনাবনে ?(১৫-০৭-১৩ তৰাবিহিন প্ৰশ্ন নং ৪৪ৰ (চ) উত্তৰ সাপেক্ষে চাব পাৰে)

*Sub :* **Payment for fencing Indo-Bangla Border.**

Shri RAJDEEP GOWALA:

*26. Will the Minister of PWD Deptt. be pleased to state :

(a) Whether it is a fact that the Govt. of India sanctioned Rs. 10.24 Cr. (2nd phase) for Indo-Bangladesh fencing, but the Govt. of Assam is yet to release the amount ?

(b) Whether it is also a fact that the Govt. of India sanctioned Rs. 6.0759 Cr. in the year 2009, but the Govt. of Assam has not yet released Rs. 1.81 Cr. ?

(c) Whether it is a fact that the Govt. of Assam released the sanctioned amount to the PWD prior to this ? If it is a fact whether the previous practice was wrong ?

(d) If the payment was made as per rule, why then Rs. 1.81 Cr. (1st phase) and Rs. 10.24 Cr. (2nd phase) is not yet released ?

(e) Whether the fencing work is not yet completed due to non-payment of the payable amount ? If the Govt. feels the non-payment is one of the reasons for non-completion of the fencing work, then will the amount be released immediately ?

(f) Whether the Govt. of Assam

know that due to non-payment of the previous amount, the Govt. of India has not yet released the payable balance amount?

*বিষয় ঃ* **বৰ্দ্ধিত চাকৰিৰ কাল ।**

শ্ৰীভূপেন ৰায় ঃ

*২৭ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ গৃহ আৰু ৰাষ্ট্ৰীয় পথৰ মুখ্য অভিযন্তাজনে ২০১৫ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে, চাকৰিৰ কাল শেষ হোৱাৰ পাছত তেখেতক একেটা পদতে পুনৰ আদেশ নিদিয়া পৰ্যন্ত বাহাল ৰখাটো সঁচানে ?

(খ) যদি সঁচা, অসম চৰকাৰৰ কৰ্ম্মচাৰী বিভাগৰ পৰা অনুমোদন হৈছিলনে ?

(গ) যদি অনুমোদন লোৱা হোৱা নাছিল, তেনেহলে কি আইন বা নিয়মৰ অধীনত তেখেতৰ চাকৰিৰ কাল বঢ়াই দিয়া হৈছে ? সেই আইন বা নিয়মৰ সবিশেষ সদনৰ মেজত দাখিল কৰিবনে ?

(ঘ) এই মুখ্য অভিযন্তা গৰাকীৰ চাকৰি কাল বঢ়াই দিয়াৰ ক্ষেত্ৰত মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে ২৯-১২-২০১৫ তাৰিখে অন্তৰ্বৰ্ত্তী আদেশ দিছে তাৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে সদনৰ মেজত দাখিল কৰিবনে ?

(ঙ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উক্ত আদেশৰ পাছতো মুখ্য অভিযন্তা গৰাকীক একেটা পদতে বাহাল ৰখাটো চৰকাৰে কি ধৰণে বিবেচনা কৰিছে তাৰ চৰকাৰী নথিৰ নকল সহ সবিশেষ সদনৰ মেজত দাখিল কৰিবনে ?

(চ) মুখ্য অভিযন্তা গৰাকীৰ চাকৰি কাল বঢ়াই দিয়াটোত কেবিনেটৰ সিদ্ধান্ত আছিলনে ? যদি নাই, অতিৰিক্ত মুখ্য অভিযন্তা সকলক তেওঁলোকৰ পদোন্নতিৰ পৰা বঞ্চিত কৰা নহ'লনে ?

*বিষয় ঃ* **ৰাস্তা মেৰামতি ।**

শ্ৰীগোপী নাথ দাস ঃ

*২৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত বেছিভাগ ৰাস্তা মেৰামতিৰ অভাৱৰ বাবে যাতায়তৰ অনুপযোগী হোৱা কথাটো চৰকাৰ অৱগতনে ?

(খ) ২০১৪-১৫ চনৰ বিত্তীয় বৰ্ষত প্ৰত্যেক বিধান সভা সমষ্টিত ৰাস্তা-ঘাট মেৰামতিৰ বাবে ১ (এক) কোটিকৈ টকা মঞ্জুৰী দিয়া কথাটো সঁচানে ?

(গ) যদি সঁচা, তেন্তে উক্ত টকাৰে মেৰামতি কৰিবলগীয়া ৰাস্তা সমূহৰ কাম বকো বিধান সভা সমষ্টিত হৈছেনে ?

(ঘ) যদি হোৱা নাই, তেন্তে ইয়াৰ কাৰণ কি জনাবনে ?

*বিষয় ঃ* **কাঠৰ দলং নিৰ্মাণ ।**

শ্ৰীমইন উদ্দিন আহমেদ ঃ

*২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ একমাত্ৰ মুখ্য পথ জলেশ্বৰ-লক্ষীপুৰ ৰাস্তাৰ দুখন কাঠৰ দলং আজিলৈকে জৰাজীৰ্ণ অৱস্থাত থকা কথাটো চৰকাৰ অৱগত নে ?

(খ) বহুবাৰ প্ৰস্তাৱ দিয়াৰ পিছটো আজিলৈকে RCC নোহোৱাৰ কাৰণ কি ? বৰ্তমান কি পৰ্য্যায়ত আছে ? অছিৰেই RCC হোৱাৰ সম্ভাৱনা আছেনে ? (বিতং ভাৱে জনাব)

(গ) Khalisavita Satria Khemer ৰাস্তাটো দুখন কাঠৰ দলং সম্পূৰ্ণ ৰূপে বিধ্বস্ত হৈ ৰাস্তাটো বন্ধ হোৱাৰ তথ্যটো চৰকাৰ অৱগত নে ? যদি অৱগত তেন্তে কাঠৰ দলং দুখন অতি সোনকালে মেৰামতিৰ ব্যৱস্থা কৰি দিব নে ?

*বিষয়* ঃ **আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমা ।**

শ্ৰীআমিনুল ইছলাম ঃ

*৩০। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ লগত কোন কোন ৰাষ্ট্ৰৰ আৰু ৰাজ্যৰ সীমা কিমান কিলোমিটাৰলৈকে বিস্তৃত হৈ আছে ?

(খ) কোন কোন ৰাজ্যই অসমৰ কিমান ভূমি বেদখল কৰি ৰাখিছে ? এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(গ) সীমান্ত অঞ্চল উন্নয়ন আৰু নিৰাপত্তা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে কি কি ব্যৱস্থা লৈছে ?

(ঘ) বাংলাদেশৰ সীমান্তত কিমান কিলোমিটাৰ কাঁইটীয়া তাঁৰৰ বেৰ সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে ?

*বিষয়* ঃ **জলসিঞ্চন বিভাগত নিযুক্তি।**

শ্ৰীৰনজিৎ কুমাৰ দাস ঃ

*৩১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জলসিঞ্চন বিভাগত কিমান পদ খালী হৈ আছে ? (জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব )

(খ) যোৱা ২০১৫ চনৰ ১ এপ্ৰিলৰ পৰা এতিয়ালৈকে উক্ত বিভাগত কিমানজনক নিযুক্তি দিয়া হ'ল ? (জিলা ভিত্তিত নাম সহকাৰে তথ্য সদনৰ মেজত দাখিল কৰিব )

*বিষয়* ঃ **ইষ্ট-ৱেষ্ট কৰিডৰ, ব্ৰহ্মপুত্ৰৰ দলং।**

শ্ৰীকেশৱ মহন্ত ঃ

*৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ইষ্ট-ৱেষ্ট কৰিডৰৰ কাম কেতিয়া আৰম্ভ হৈছিল আৰু এই কাম কেতিয়া শেষ হ'ব লাগিছিল ? বৰ্ত্তমান ইষ্ট-ৱেষ্ট কৰিডৰৰ কামৰ স্থিতি কি ? প্ৰতিটো পেকেজৰ বিপৰীতে ধনৰ পৰিমাণ, কাম আৰম্ভ হোৱাৰ তাৰিখ, ৱাৰ্ক অৰ্ডাৰ মতে কাম শেষ হ'বলগীয়া সময় আৰু এতিয়া প্ৰকৃততে কাম শেষ হ'বলগীয়া সময়, পেকেজত পথৰ দৈৰ্ঘ্য ৰ বিষয়ে বিস্তৃত ভাৱে জনাবনে ?

(খ) অসমত ইষ্ট-ৱেষ্ট কৰিডৰৰ মুঠ দৈৰ্ঘ্য কিমান ? এই পথ নিৰ্মাণৰ বাবে কিমান গছ কটা হৈছিল ? ইয়াৰ বিপৰীতে কিমান গছ নতুনকৈ ৰোপন কৰা হ'ল ? নতুন গছ ৰোপনৰ বাবে কিমান ধন ব্যয় কৰা হৈছে ?

(গ) অসমত আৰু ক'ত ক'ত নতুনকৈ ৰাষ্ট্ৰীয় ঘাই পথ ফৰলেন কৰা হ'ব ? এই পথবোৰৰ নাম, পথবোৰে কোন কোন স্থানক চুই যাব। পথৰ দৈৰ্ঘ্য, প্ৰকল্পৰ বাবে হবলগীয়া ব্যয় আদিৰ বিষয়ে বিস্তৃত ভাৱে জনাবনে ? এই কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব আৰু কাম কেতিয়া শেষ হ'ব ?

(ঘ) গুৱাহাটীৰ শৰাইঘাট দলঙৰ কাষত নিৰ্মাণ হৈ থকা দ্বিতীয়খন দলঙৰ কাম কেতিয়া আৰম্ভ হৈছিল আৰু নিয়ম মতে এই কাম কেতিয়া শেষ হ'ব লাগিছিল ? এই কামৰ পলম হোৱাৰ কাৰণ কি ? পৰৱৰ্তী সময়ত কেতিয়া এই দলংখন সম্পূৰ্ণ হ'ব ? এই দলং নিৰ্মাণৰ বাবে ৱৰ্ক অৰ্ডাৰ মতে কিমান ধন ধাৰ্য্য আছিল ? এই ধন বৃদ্ধি হৈ বৰ্তমান কিমান হ'ল ?

(ঙ) বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ক'ত ক'ত দলং নিৰ্মাণ হৈ আছে ? এই নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতি কিমান ? দলং নিৰ্মাণৰ প্ৰকল্প ব্যয় আৰু দৈৰ্ঘ্য কিমান ? বৰ্তমান ক'ত ক'ত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণৰ প্ৰস্তাৱ চৰকাৰৰ আছে ?

*বিষয়* ঃ **ৰাজ্যিক পৰিকল্পনা শিতানৰ আঁচনি।**

শ্ৰীমজিবুৰ ৰহমান ঃ

*৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক পৰিকল্পনা শিতানত জলসিঞ্চন

বিভাগে প্রতিটো সংমণ্ডলৰ বিপৰীতে ২০১৪-১৫, ২০১৫-১৬ বৰ্ষত কিমান পুঁজি আবণ্টন দিছে জনাবনে ?

(খ) প্ৰতিখন সংমণ্ডলত দিয়া প্ৰতিখন আঁচনিৰ বিপৰীতে কিমান পুঁজি আবণ্টন হৈছে জনাবনে ?

(গ) উক্ত আঁচনি সমূহৰ কামৰ অগ্ৰগতি কিমান জনাবনে ?

*বিষয় ঃ* **উপ-সংমণ্ডল স্থাপন ।**

শ্ৰীযাদৱ চন্দ্ৰ ডেকা ঃ

*৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰশ্নকৰ্ত্তাৰ ইং ৯-১২-২০১৫ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ১৩০ (খ) ফাইলটো পুনৰ অনুমোদনৰ বাবে বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হৈছে, সাপেক্ষে অনুমোদন পোৱা হ'লনে ?

(খ) যদি হৈছে, বাকী থকা কামৰ সবিশেষ জনাব ?

(গ) বাইহাটা চাৰিআলি এলেকাত চলিত বিত্তীয় বৰ্ষত গড়কাপ্তানী বিভাগৰ উপ-সংমণ্ডল স্থাপনৰ অধিসূচনা জাৰি কৰি কাম আৰম্ভ কৰিবনে ?

*বিষয় ঃ* **আঁচনি ৰূপায়ণ ।**

শ্ৰীমতী গুল আখতাৰা বেগম ঃ

*৩৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমান হেক্টৰ কৃষিভূমি জলসিঞ্চনৰ বাবে উপযোগী ?

(খ) উক্ত কৃষিভূমিত বৰ্তমানলৈ কিমান হেক্টৰ জলসিঞ্চন ব্যৱস্থাৰ আওতালৈ আহিছে ?

(গ) বিলাসীপাৰা পূৱ সমষ্টিত ২০১১ চনৰ পৰা বৰ্তমানলৈ কি কি জলসিঞ্চন আঁচনি ৰূপায়ণ কৰা হৈছে আৰু কিমান কৃষিভূমি জলসিঞ্চন ব্যৱস্থাৰে সামৰা হৈছে ?

(ঘ) ২০১১-১২ চনৰ পৰা বৰ্তমানলৈ জলসিঞ্চন বিভাগত Maintenance ৰ বাবত আবণ্টিত পুঁজি ধুবুৰী জিলাৰ কি কি আঁচনিত ব্যয় কৰা হৈছে ? (আঁচনিৰ নাম, আবণ্টিত পুঁজি, ঠিকাদাৰৰ নামসহ তালিকা সদনৰ মেজত দাখিল কৰিব)

*বিষয় ঃ* **মুখ্যমন্ত্ৰীর বিশেষ প্যাকেজ ঃ**

শ্ৰীদিলীপ কুমার পাল ঃ

*৩৬। মাননীয় পরিকল্পনা আৰু উন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক)মাননীয় মুখ্যমন্ত্ৰীর দ্বারা ঘোষিত বরাকের জন্য এক হাজার কোটি টাকার বিশেষ অনুদানের ঘোষিত প্ৰকল্পের প্ৰথম পর্য্যায়ের কাজের জন্য এখন পর্য্যন্ত P & D বিভাগ কত টাকা CLEAR করেছে এবং এখন পর্য্যন্ত কত টাকা বাস্তবে রিলিজ হয়েছে ?

(খ) উক্ত বিশেষ প্যাকেজের দ্বিতীয় পর্য্যায়ের কাজের জন্য এখন পর্য্যন্ত P & D বিভাগ কত টাকা CLEAR করেছে এবং এখন পর্য্যন্ত কত টাকা বাস্তবে রিলিজ হয়েছে তাহা অনুগ্ৰহ করে সদনে পেশ করবেন ?

*বিষয় ঃ* **সীমান্ত উন্নয়ন বেদখলী ভূমি ।**

শ্ৰীফণী ভূষণ চৌধুৰী ঃ

*৩৭। মাননীয় সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সীমান্ত উন্নয়ন বিভাগৰ ফালৰ পৰা ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বৰ্তমানলৈ আন্তঃ ৰাজ্যিক আৰু আন্তঃ ৰাষ্ট্ৰীয় সীমান্তত কি কি আঁচনি লোৱা হ'ল ? (ধনৰ পৰিমাণ সহ তথ্য সমূহ বিত্তীয় বৰ্ষ হিচাপত দাখিল কৰিব)

(খ) এই আঁচনিবোৰৰ প্ৰতিটো কামৰ ৱৰ্ক অৰ্ডাৰ মতে কেতিয়া শেষ হ'ব লাগিছিল আৰু এই কামবোৰৰ বৰ্তমান অগ্ৰগতি কি ? কি কাৰণত কামবোৰ পলম হৈছে ?

(গ) কোনো বিত্তীয় বৰ্ষত যদি আন্তঃ ৰাষ্ট্ৰীয়

আৰু আন্তঃ ৰাজ্যিক সীমান্ত আঁচনি অনুমোদন হোৱা নাই তাৰ কাৰণ কি ?

(ঘ) বৰ্তমান অসমৰ মাটি কোন ৰাজ্যই কিমান দখল কৰি আছে ? এই দখলবোৰ কেতিয়াৰ পৰা আছে ?

(ঙ) অসম নগালেণ্ড আৰু অসম অৰুণাচলৰ মাজত উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰ দুটা বৰ্তমান কি অৱস্থাত আছে ?

(চ) অসমত আন্তঃ ৰাজ্যিক সীমান্তত কিমান বৰ্ডাৰ আউট পোষ্ট আছে ? (তথ্য সমূহ জিলা ভিত্তিত দাখিল কৰিব)

(ছ) এই বৰ্ডাৰ আউট পোষ্ট সমূহত বৰ্তমান কি পৰ্য্যায়ত কিমান নিৰাপত্তা বাহিনীৰ লোক আছে ? বৰ্ডাৰ আউট পোষ্ট বৃদ্ধিৰ কোনো প্ৰস্তাৱ আছে নেকি ? যদি আছে, এই আউট পোষ্টবোৰ ক'ত ক'ত স্থাপনৰ কথা বিবেচনা কৰা হৈছে ?

*Sub :* **Package No AS-01-92** ৰ ৰাস্তা ।

শ্ৰীমনোৰঞ্জন দাস ঃ

*৩৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পেকেজ নং AS-01-92 (ঠিকাদাৰ Modern construction)অধীনত ২৪-০৯-২০০৯ তাৰিখত আবণ্টন দিয়া ৰাস্তা কেইটাৰ কাম সম্পূৰ্ণ হ'লনে ?

(খ) যদি হোৱা নাই ০৩-১০-২০১১ তাৰিখৰ পৰা আজিলৈকে কোনোবাটো কাম সম্পূৰ্ণ কৰিব নোৱাৰাৰ বাবে ঠিকাদাৰৰ ওপৰত নীতিগত ভাৱে শাস্তিমূলক ব্যৱস্থা লৈছে নেকি ? (বিতং তথ্য দিব) (১৯-১২-২০১১ তাৰিখৰ তৰাচিহ্নিত প্ৰশ্ন নং ৪ৰ উত্তৰৰ 'ঘ' অংশ চাব পাৰে)

*বিষয় ঃ* **কাৰাবন্দীৰ সংখ্যা ।**

শ্ৰীগোপী নাথ দাস ঃ

*৩৯। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত মুঠ কিমানটা কাৰাগাৰ আছে আৰু তাত প্ৰত্যেকতে কিমানজনকৈ কাৰাবন্দী ৰাখিব পৰা ব্যৱস্থা আছে আৰু তাত বৰ্তমান কিমানজনকৈ কাৰাবন্দী আছে জনাবনে ?

(খ) চৰকাৰে কাৰাগাৰসমূহৰ উন্নয়নৰ কাৰণে কি কি ব্যৱস্থা লৈছে জনাবনে ?

(গ) এইটো কথা সঁচানে যে, বৰ্ত্তমান কয়েদীসকলক মজুৰী বাবত দৈনিক মাত্ৰ ৫৫.০০ (পচপন্ন) টকা আদায় দিয়া হয় ?

(ঘ) কাৰাবন্দীসকলক (কয়েদী আৰু হাজোতী) প্ৰতিদিন কিমান টকাকৈ খোৱাৰ বাবে ব্যয় কৰা হয় জনাবনে ?

(ঙ) কয়েদীসকলৰ পাৰিশ্ৰমিক (মজুৰী) ২০০.০০ (দুশ) টকালৈ বৃদ্ধি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(চ) এইটো কথা সঁচানে যে, যাৱত জীৱন কাৰাদণ্ডৰে দণ্ডীত ব্যক্তিসকলক নিৰ্দ্ধাৰিত কাৰ্য্যকাল শেষ হোৱাৰ পিছতো তেওঁলোকক ঘৰলৈ যাবলৈ দিয়া হোৱা নাই ?

(ছ) যদি সঁচা, তেন্তে অতি সোনকালে এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে ?

---

A.G.P. (Mini)-14/16-L.A.Q.-700-27-01-16